**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। নাছাৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুশ্ উইলম'ৰে পৃথিৱীৰ মধ্যাকৰ্ষণ শক্তিৰ মাজতো সহজ জীৱন ধাৰণৰ উদ্দেশ্যে ৪৫ দিনীয়া পুনৰ্বাসন কাৰ্যসূচীত অংশ লৈছে।

২। বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই শক্তিশালী সহযোগিতা স্থাপনৰ উদ্দেশ্যে গোলকীয় সমন্বয়ৰ ক্ষেত্ৰত কেন্দ্ৰীয় ভূমিকা পালন কৰিবলৈ গ্ল'বেল ছাউথ ৰাষ্ট্ৰসমূহৰ প্ৰতি আহ্বান জনাইছে।

৩। ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধক্ষেত্ৰত ভাৰতৰ স্থিতিৰ বিৰোধিতা কৰাটো ভুল আছিল বুলি কংগ্ৰেছ নেতা শশী থাৰুৰে স্বীকাৰ কৰিছে।

৪। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৩ লাখ ৮৮ হাজাৰ ৩৫৮ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ কেন্দ্ৰীয়ভাৱে প্ৰদান কৰে।

আৰু

৫। কাবাডী বিশ্বকাপত ভাৰত আৰু স্কটলেণ্ডৰ মাজৰ খেলখন ৬৪-৬৪ পইণ্টত ড্ৰ' হয়।

০০০০০০০

মহাকাশত ৯ মাহ অতিবাহিত কৰাৰ পাছত নাছাৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুশ্ উইলম'ৰে যাতে পৃথিৱীৰ মধ্যাকৰ্ষণ শক্তিৰ মাজতো সহজে জীৱন ধাৰণ কৰিব পাৰে, তাৰবাবে মহাকাশচাৰী দুগৰাকীয়ে ৪৫ দিনীয়া পুনৰ্বাসন কাৰ্যসূচীত অংশ লৈছে। আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত দীৰ্ঘদিন ধৰি ভাৰহীন অৱস্থাত থকা মহাকাশচাৰী দুগৰাকীয়ে এই প্ৰভাৱৰ পৰা মুক্ত হোৱাৰ বাবে কঠোৰ শাৰীৰিক অনুশীলন কৰিব লাগিব। নামমাত্ৰ মধ্যাকৰ্ষণৰ মাজত থকাৰ বাবে মানৱ শৰীৰত ন ন প্ৰত্যাহ্বানৰ সৃষ্টি হয়। ইয়াৰ ভিতৰত এৰ'বিক ক্ষমতা, মাংসপেশীৰ শক্তি, ভাৰসাম্যতা, সমন্বয়, হাড়ৰ ঘনত্ব আৰু নিউৰ' ভেষ্টিবুলাৰ কাৰ্য প্ৰণালীজনিত সমস্যা অন্যতম। এই প্ৰভাৱৰ পৰা মুক্ত কৰাৰ বাবে মহাকাশচাৰী দুগৰাকীক তিনিটা পৰ্যায়ৰ পুনৰ্বাসন কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰা হৈছে।

ভাৰতীয় মূলৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুশ্ উইলম'ৰ আজি পুৱতি নিশা পৃথিৱীলৈ ঘূৰি আহে। স্পেচ এক্সৰ ড্ৰেগন মহাকাশযানেৰে মহাকাশচাৰী দুগৰাকী ভাৰতীয় সময় অনুসৰি আজি পুৱতি নিশা ৩ বাজি ২৭ মিনিটত গাল্ফ অৱ মেক্সিকোত অৱতৰণ কৰে। ইয়াৰ লগে লগে মহাকাশচাৰী দুগৰাকীয়ে স্পেচএক্সৰ ক্ৰু-নাইনৰ সৈতে আন দুগৰাকী মহাকাশচাৰী নাছাৰ নিক হেক আৰু ৰাছিয়াৰ মহাকাশচাৰী আলেকজেণ্ডাৰ গৰ্বুনভৰ লগতে নিজৰ যাত্ৰা সমাপ্ত কৰে। সমুদ্ৰত অৱতৰণৰ পাছতে নাৱত অহা এটা উদ্ধাৰকাৰী দলে ড্ৰেগন যানখনক আন এখন জাহাজলৈ লৈ যায়। জাহাজখনত থকা এটা বিশেষ সঁজুলিৰে ড্ৰেগনক বান্ধি লৈ ষ্ট্ৰেচাৰৰ সৈতে উদ্ধাৰকাৰী দলৰ সদস্যই প্ৰথমে নিক হেক, আলেকজেণ্ডাৰ, সুনীতা উইলিয়ামছ আৰু বুশ্ উইলম'ৰক নিৰাপদে বাহিৰলৈ উলিয়াই অনা হয়। বয়িং ষ্টাৰলাইনাৰ মহাকাশযানৰ কাৰিকৰী বিজুতিৰ বাবে বিগত বৰ্ষৰ জুনৰ পৰাই মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুশ্ব উইলম'ৰ আন্তঃৰাষ্ট্ৰীয় মকাকাশ কেন্দ্ৰত আৱদ্ধ হৈ আছিল। দুয়োগৰাকী মহাকাশচাৰীয়ে নিৰ্ধাৰিত সময়ৰ তুলনাত ২৭৮ দিন বেছিকৈ অৰ্থাৎ ২৮৬ দিন মহাকাশত থাকে। ইয়াৰ পৰিৱৰ্তে যোৱা দেওবাৰে ক্ৰু-টেনৰ ৪ জন মহাকাশচাৰীয়ে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত দায়িত্ব গ্ৰহণ কৰে।

নাছাই আৱদ্ধ মহাকাশচাৰী দুগৰাকীক সুকলমে পৃথিৱীলৈ ঘূৰাই অনাক লৈ বিশ্বজুৰি জনসাধাৰণে আনন্দ প্ৰকাশ কৰিছে। ভাৰতৰ বিভিন্ন স্থানতো জনসাধাৰণ সুনীতা উলিয়ামছৰ প্ৰত্যাৱৰ্তনত উৎফুল্লিত হৈ আনন্দ উদযাপন কৰে।

০০০০০০০০০

পৃথিৱীত ক্ৰিউ-নাইন মিছনৰ সফল অৱতৰণৰ বাবে অক্লান্তভাৱে কাম কৰা সকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কৈছে যে ভাৰতীয় মূলৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু

ক্ৰিউ-নাইনৰ মহাকাশচাৰীসকলে বিশ্ববাসীক প্ৰকৃত দৃঢ়তাৰ অৰ্থ কি, সেয়া পুনৰ দেখুৱাই দিলে। তেওঁ কয়, যে এয়া অসীম ধৈৰ্য, সাহস আৰু মানৱীয় ভাৱনাৰ পৰীক্ষা আছিল। অজ্ঞাত পৰিস্থিতিত মহাকাশচাৰীকেইগৰাকীয়ে দেখুওৱা অসীম দৃঢ়তাই সদায় অনুপ্ৰেৰণা  যোগাই যাব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। সুনীতা উইলিয়াম্ছৰ ভাৱনা আৰু প্ৰচেষ্টাৰ শলাগ লৈ শ্ৰী মোদীয়ে কয়, যে মহাকাশচাৰী গৰাকীয়ে নিজৰ কৰ্মজীৱনৰ প্ৰতিটো ক্ষণতে দৃঢ়তাৰ পৰিচয় দি আহিছে। মহাকাশ অন্বেষণ মানৱীয় সামৰ্থ্যৰ পৰিধি ভাঙি সপোন দেখা আৰু এই সপোনক বাস্তৱায়িত কৰাৰ সাহসৰ গাঁঠা বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই শক্তিশালী আৰু ন্যায়সংগত সহযোগিতা স্থাপনৰ উদ্দেশ্যে গোলকীয় সমন্বয়ৰ ক্ষেত্ৰত কেন্দ্ৰীয় ভূমিকা পালন কৰিবলৈ গ্ল’বেল ছাউথ ৰূপে পৰিচিত অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে অনুন্নত ৰাষ্ট্ৰসমূহৰ প্ৰতি আহ্বান জনাইছে। নতুন দিল্লীত আজি ৰায়ছিনা আলোচনাত ভাষণ দি শ্ৰী মাৰ্ঘেৰিটাই লেটিন আমেৰিকা আৰু কেৰিবিয়’ ৰাষ্ট্ৰসমূহকে ধৰি সম ভাৱাপন্ন সহযোগী দেশসমূহৰ সৈতে বিশেষকৈ বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ থল আছে বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে এই দেশসমূহৰ সৈতে সম্পৰ্ক যথেষ্ট বৃদ্ধি পাইছে আৰু শিক্ষা, তথ্য, প্ৰযুক্তি, চিকিৎসা আৰু অভিযান্ত্ৰিক বিদ্যাৰ ক্ষেত্ৰত অৰ্থবহ সহযোগিতাৰ প্ৰসাৰ ঘটিছে। ইয়াৰ ফলত গ্ল’বেল ছাউথ ৰূপে পৰিচিত দেশসমূহৰ মাজত একতা অধিক সুদৃঢ় হ’ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে লেটিন আমেৰিকাৰ সৈতে ভাৰতৰ সম্পৰ্ক ক্ৰমাৎ বৃদ্ধি পাইছে। মন্ত্ৰীগৰাকীয়ে কয়, যে যোৱা বছৰ দ্বিতীয় ভাৰত কেৰিকম শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা গায়ানা যাত্ৰাই সম্পৰ্কৰ এই এনাজৰী অধিক সুদৃঢ় কৰি তুলিছে।

০০০০০০০০০

ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধক্ষেত্ৰত ভাৰতৰ স্থিতিৰ বিৰোধিতা কৰাটো ভুল আছিল বুলি কংগ্ৰেছ নেতা শশী থাৰুৰে স্বীকাৰ কৰিছে। নতুন দিল্লীত আয়োজিত ৰায়ছিনা আলোচনাত অংশগ্ৰহণ কৰি শ্ৰী থাৰুৰে কালি কয়, যে ২০২২ চনত ভাৰতৰ নিৰপেক্ষ স্থিতিৰ সমালোচনা কৰাৰ বাবে তেওঁ আজিও অনুতপ্ত। সেই সময়ত কংগ্ৰেছ নেতাগৰাকীয়ে ৰাছিয়াই ইউক্ৰেইনৰ ওপৰত কৰা আক্ৰমণৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা স্থিতিৰ বিৰোধিতা কৰিছিল আৰু এই আক্ৰমণক গৰিহণা দিবলৈ আহ্বান জনাইছিল।

০০০০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ পলাশবাৰীৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৩ লাখ ৮৮ হাজাৰ ৩৫৮ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ কেন্দ্ৰীয়ভাৱে প্ৰদান কৰে। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিধায়ক হেমাংগ ঠাকুৰীয়া, সুমন হৰিপ্ৰিয়া, অসম চৰকাৰৰ মুখ্য সচিব ড° জে বি এক্কা, কামৰূপ জিলা আয়ুক্ত দেৱেন্দ্ৰ কুমাৰ মিশ্ৰৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিধানসভা সমষ্টি অনুসৰি গৃহ অনুমোদন পত্ৰ প্ৰদানৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু বিধায়কসকলে বিভিন্ন স্থানত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অৱশ্যে আদৰ্শ নিৰ্বাচনী আচৰণবিধি বলৱৎ হৈ থকাৰ বাবে বকো-ছয়গাঁও সমষ্টিত এই কাৰ্যসূচী অনুষ্ঠিত নহয়।

০০০০০০০০০

ভাৰত আৰু মালদ্বীপৰ দ্বিপাক্ষিক বাণিজ্যৰ লেনদেন এতিয়াৰে পৰা এছিয় ক্লিয়াৰিং ইউনিয়ন ধনাদায় ব্যৱস্থাৰ উপৰি ভাৰতীয় টকা আৰু মালদ্বীপৰ মুদ্ৰা ৰুফিয়াৰে সম্পন্ন কৰিব পৰা যাব। মালদ্বীপৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আয়ে এই সন্দৰ্ভত এখন পৰিপত্ৰ জাৰি কৰিছে। এই পদক্ষেপে মালদ্বীপক সহায় কৰিব বুলি আশা কৰা হৈছে। ভাৰত-মালদ্বীপৰ সবাতোকৈ বৃহৎ ব্যৱসায়িক সহযোগী আৰু দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ ৫৪ কোটি ৮০ লাখ মাৰ্কিন ডলাৰতকৈ অধিক।

০০০০০০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়ে চাকৰিৰ বাবে ভূমি কেলেংকাৰী সংক্ৰান্তত আৰ জে ডিৰ সভাপতি তথা বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালু প্ৰসাদ যাদৱক জেৰা কৰি আছে। শ্ৰী প্ৰসাদ আজি পুৱা তেওঁৰ কন্যা, লোকসভাৰ সাংসদ মিছা ভাৰতীৰ

সৈতে তদন্ত বিষয়াসকলৰ সন্মুখত হাজিৰ হয়। উল্লেখযোগ্য যে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা লালুপ্ৰসাদৰ পত্নী ৰাব্ৰি দেৱী আৰু তেওঁলোকৰ জ্যেষ্ঠ পুত্ৰ তেজ প্ৰতাপ যাদৱ কালি কেন্দ্ৰীয় সংস্থাটোৰ তদন্ত দলৰ সন্মুখত হাজিৰ হৈছিল।

০০০০০০০০০

মহাৰাষ্ট্ৰৰ চত্ৰপতি শম্ভাজী নগৰৰ জিলাধিপতি দিলীপ স্বামীয়ে খুলদাবাদত আইন-শৃংখলা আৰু শান্তি সুনিশ্চিত কৰাৰ উদ্দেশ্যে জিলাখনৰ সুৰক্ষা ব্যৱস্থাৰ ব্যাপক পৰ্যালোচনা কৰে। তেওঁ জিলাখনত শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাৰ স্বাৰ্থত কোনোধৰণৰ উৰা বাতৰিত বিশ্বাস নকৰিবলৈ আৰু প্ৰশাসনৰ সৈতে সহযোগ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

জিলাধিপতিগৰাকীয়ে যিকোনো ধৰণৰ সন্দেহজনক কাৰ্যকলাপৰ প্ৰতি সম্পূৰ্ণ সষ্টম হৈ থকাৰ লগতে এনেধৰণৰ কাৰ্যকলাপৰ সম্ভেদ পালে, ততালিকে আৰক্ষীক খবৰ দিবলৈ বিষয়াসকলক নিৰ্দেশ দিছে। এইক্ষেত্ৰত বিভিন্ন বিভাগৰ মাজত সহযোগিতা তথা সমন্বয়ৰ প্ৰয়োজন সন্দৰ্ভত আলোকপাত কৰি শ্ৰী শ্বামীয়ে প্ৰমাণিত তথ্যৰ ওপৰতহে নিৰ্ভৰ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে।

০০০০০০০০০

মধ্য প্ৰদেশৰ শিৱপুৰীৰ মাতাটিলা বান্ধত কালি সন্ধিয়া এখন নাও ডুব যোৱাৰ পাছৰেপৰা সন্ধানহীন হৈ থকা লোকসকলক উদ্ধাৰৰ বাবে অভিযান অব্যাহত আছে। সন্ধানহীন ১৫ জনৰ ভিতৰত ৮ জন লোকক কালি নিৰাপদে উদ্ধাৰ কৰা হয় আৰু ৫ জন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। এই লোকসকলে নাৱেৰে মাতাটিলা বান্ধৰ জলাশয়ত থকা এটা মন্দিৰ দৰ্শন কৰিবলৈ গৈছিল।  মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ডঃ মোহন যাদৱে এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০০০

কাবাডী বিশ্বকাপত যোৱানিশা ইংলেণ্ডৰ উলভাৰ হেম্পটনত ভাৰত আৰু স্কটলেণ্ডৰ পুৰুষ দলৰ মাজত অনুষ্ঠিত খেলখন ৬৪-৬৪ পইন্টত ড্ৰ' হয়। খেলখনত ভাৰতে প্ৰথম কেইমিনিটমানৰ ভিতৰতে ৭-৪ত অগ্ৰগতি লাভ কৰি শক্তিশালী প্ৰদৰ্শন আগবঢ়ায় যদিও পৰৱৰ্তী ৰাউণ্ডত স্কটলেণ্ডে সমতা কৰিবলৈ সমৰ্থ হয় আৰু খেলখন ৰোমাঞ্চকৰভাৱে ৬৪-৬৪ পইন্টত ড্ৰ হয়। ভাৰতীয় দলটো নিজৰ দ্বিতীয়খন খেলত আজি চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে মহিলা শাখাত ভাৰতীয় দলটোৱে কালি গ্ৰুপ-ডিৰ এখন খেলত ৱেলচক ৮৯-১৮ পইন্টত পৰাস্ত কৰি অভিযান আৰম্ভ কৰে।

000000

সমাপ্ত